# 2022

# ECONOMICS

( Honours )

Paper : ECO–HC–1016

**( Introductory Microeconomics )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** Answer the following questions (any *ten*) : 1×10=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো দহটা) :

(a) What is the problem of 'choice'?

'পছন্দ'ৰ সমস্যা কি?

(b) Distinguish between a firm and an industry.

এটা প্ৰতিষ্ঠান আৰু এটা উদ্যোগৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

(c) Mention one feature of capitalism.

পুঁজিবাদৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(d) State one feature of economic goods.

অৰ্থনৈতিক সামগ্ৰীসমূহৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

*(e)* What is cross demand?
তিৰ্যক চাহিদা কি?

*(f)* Write the demand function.
চাহিদা ফলনটো লিখা।

*(g)* What are complementary goods?
পৰিপূৰক সামগ্ৰীসমূহ কি?

*(h)* Draw the demand curve of Giffen goods.
গিফেন সামগ্ৰীসমূহৰ চাহিদাৰেখা অঙ্কন কৰা।

*(i)* What is the shape of perfectly inelastic supply curve?
সম্পূৰ্ণ অস্থিতিস্থাপক যোগানৰেখাৰ আকৃতি কি?

*(j)* What is producers' surplus?
উৎপাদকসমূহৰ উদ্বৃত্ত কি?

*(k)* Define opportunity sets.
সুযোগ সংহতিৰ সংজ্ঞা দিয়া।

*(l)* What is income consumption curve?
আয় উপভোগ ৰেখা কি?

*(m)* Mention the concept of market demand.
বজাৰ চাহিদাৰ ধাৰণাটো উল্লেখ কৰা।

*(n)* Distinguish between stock and supply.
মজুত আৰু যোগানৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

*(o)* Define imperfect competition.
অপূৰ্ণ প্ৰতিযোগিতাৰ সংজ্ঞা দিয়া।





*(p)* What is derived demand?
উদ্ভূত চাহিদা কি?

*(q)* State one character of labour market.
শ্ৰমৰ বজাৰৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

*(r)* What is meant by property rights?
সম্পত্তিৰ স্বত্বই কি বুজায়?

**2.** Answer the following questions in short (any *five*) : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) :

*(a)* Distinguish between positive economics and normative economics.
ইতিবাচক অৰ্থনীতি আৰু আদৰ্শগত অৰ্থনীতিৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

*(b)* What is economic problem?
অৰ্থনৈতিক সমস্যা কি?

*(c)* Write any two features of basic competitive model.
মৌলিক প্ৰতিযোগিতামূলক আৰ্হিৰ যি কোনো দুটা বৈশিষ্ট্য লিখা।

*(d)* Why is the cross elasticity of demand for substitute goods always positive and negative for complementary goods?
চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা কিয় সদায় বিকল্প সামগ্ৰীৰ ক্ষেত্ৰত ধনাত্মক আৰু পৰিপূৰক সামগ্ৰীৰ ক্ষেত্ৰত ঋণাত্মক হয়?

(e) If price elasticity of demand for milk is equal to unity (=1) and if at the price of ₹40 per litre a household demands 40 litres milk, then how much milk will be demanded at the price of ₹60 per litre?

যদি গাখীৰৰ চাহিদাৰ দৰ স্থিতিস্থাপকতা একৰ সমান হয় আৰু যদি প্ৰতি লিটাৰ গাখীৰৰ দাম 40 টকা হোৱাত এটা পৰিয়ালয়ৰ 40 লিটাৰ গাখীৰৰ চাহিদা হয়, তেন্তে প্ৰতি লিটাৰ গাখীৰৰ দাম 60 টকা হ'লে গাখীৰৰ চাহিদাৰ পৰিমাণ কিমান হ'ব?

(f) Why do two indifference curves not intersect each other?

দুডাল নিৰপেক্ষ ৰেখাই কিয় পৰস্পৰে ছেদ নকৰে?

(g) Why is the supply curve of labour upward sloping?

শ্ৰমৰ যোগান ৰেখা কিয় ঊৰ্ধ্বগামী হয়?

(h) Distinguish between fixed and variable costs.

স্থিৰ আৰু পৰিৱৰ্তনশীল ব্যয়ৰ পাৰ্থক্য নিৰ্ণয় কৰা।

(i) Mention two government policies to enhance competition in the market.

বজাৰত প্ৰতিযোগিতা বৃদ্ধি কৰিব পৰা দুটা চৰকাৰী নীতি উল্লেখ কৰা।

(j) Why do input demand curves shift to the left?

উপাদানৰ চাহিদা ৰেখা কিয় বাওঁফালে স্থানান্তৰিত হয়?





**3.** Answer the following questions (any *four*) : 5×4=20

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) What is price rationing? Explain the impact of price rationing on the market. 1+4=5

দৰ সুলভকৰণ কি? দৰ সুলভকৰণে কেনেদৰে বজাৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে, ব্যাখ্যা কৰা।

(b) How does the profit motive drive the market system? Discuss. 5

লাভৰ উদ্দেশ্যই কেনেদৰে বজাৰ ব্যৱস্থাক পৰিচালিত কৰে? আলোচনা কৰা।

(c) Explain the characteristics of a mixed economy. 5

মিশ্ৰ অৰ্থনীতিৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

(d) What is price mechanism? How does price mechanism allocate resources? 1+4=5

দৰ প্ৰক্ৰিয়া কি? দৰ প্ৰক্ৰিয়াই কেনেদৰে সম্পদৰ বিতৰণ কৰে?

(e) What is budget line? How do changes in income and prices affect the budget line? Use diagrams. 1+2+2=5

বাজেট ৰেখা কি? আয় আৰু দৰৰ পৰিবৰ্তনে কেনেদৰে বাজেট ৰেখাক প্ৰভাৱিত কৰে? চিত্ৰ ব্যৱহাৰ কৰিবা।

(f) Show that a monopolist always operates on the elastic part of the demand curve. Why? 3+2=5

দেখুওৱা যে একচেটিয়া ব্যৱসায়ী এজনে চাহিদা ৰেখাৰ স্থিতিস্থাপক অংশটোত সঞ্চালন কৰে। কিয়?

(g) Establish the relationship between average cost and marginal cost. Why does MC curve cut AC curve from below? 3+2=5

গড় ব্যয় আৰু প্ৰান্তিক ব্যয়ৰ মাজত সম্পৰ্ক স্থাপন কৰা। প্ৰান্তিক ব্যয় ৰেখাই গড় ব্যয় ৰেখাক কিয় তলৰ পৰা ছেদ কৰে?

(h) Explain the various factors determining the demand for labour. 5

শ্ৰমৰ চাহিদা নিৰ্ধাৰণ কৰা বিভিন্ন কাৰকসমূহ ব্যাখ্যা কৰা।

**4.** Answer the following questions (any *four*) : 10×4=40

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) What are the fundamental economic problems of an economy? How can various economic problems be explained through the use of production possibility curve? 4+6=10

এখন অৰ্থনীতিৰ মৌলিক অৰ্থনৈতিক সমস্যাসমূহ কি কি? বিভিন্ন অৰ্থনৈতিক সমস্যাসমূহক উৎপাদন সম্ভাৱনীয়তা ৰেখাৰ সহায়ত কেনেদৰে ব্যাখ্যা কৰিব পাৰি?





(b) How is efficiency of market linked with producers' and consumers' surplus? Explain. 10

উৎপাদকৰ উদ্বৃত্ত আৰু ভোক্তাৰ উদ্বৃত্তৰ লগত বজাৰৰ দক্ষতাৰ কি সম্বন্ধ আছে? ব্যাখ্যা কৰা।

(c) Explain the various factors determining individual and market demand. 10

ব্যক্তিগত চাহিদা আৰু বজাৰ চাহিদাৰ নিৰ্ধাৰকসমূহ ব্যাখ্যা কৰা।

(d) What is substitution effect? Explain the concept of substitution effect with the help of Hicksian and Slutsky method. 1+5+4=10

প্ৰতিকল্প বিপাক কি? হিক্স আৰু শ্লট্‌চি পদ্ধতিৰ সহায়ত প্ৰতিকল্প বিপাকৰ ধাৰণাটো ব্যাখ্যা কৰা।

(e) Explain the process of consumer's optimum choice with the help of indifference curve approach. 10

নিৰপেক্ষ ৰেখা বিশ্লেষণৰ সহায়ত ভোক্তাৰ কাম্য পছন্দ প্ৰক্ৰিয়াটো ব্যাখ্যা কৰা।

(f) Derive long-run average cost curve from short-run average cost curves. Give reasons for the U-shape of long-run average cost curve. 8+2=10

হ্ৰস্বকালীন গড় ব্যয় ৰেখাৰ সহায়ত দীৰ্ঘকালীন গড় ব্যয় ৰেখা আহৰণ কৰা। দীৰ্ঘকালীন গড় ব্যয় ৰেখা U-আকৃতিৰ্ হোৱাৰ কাৰণসমূহ দিয়া।

*(g)* Explain the behaviour of a profit maximizing firm in the short-run. 10

হ্ৰস্বকালীন সময়ত এখন লাভ সৰ্বোচ্চকৰণ প্ৰতিষ্ঠানৰ আচৰণ ব্যাখ্যা কৰা।

*(h)* Discuss the rationale behind the regulation of monopoly practices. What role do antitrust policies play in monopoly regulation? 7+3=10

একচেটিয়া ব্যৱসায় নিয়ন্ত্ৰণ কৰাৰ যুক্তিযুক্ততা আলোচনা কৰা। একচেটিয়া ব্যৱসায় নিয়ন্ত্ৰণত ন্যাস-বিৰোধী উপায়বোৰে কি ভূমিকা লয়?

*(i)* Describe the various applications of elasticity of demand in economics. 10

অৰ্থনীতিত চাহিদাৰ স্থিতিস্থাপকতাৰ বিভিন্ন প্ৰয়োগ বৰ্ণনা কৰা।

*(j)* Explain how wages are determined in a competitive labour market. 10

প্ৰতিযোগিতামূলক শ্ৰমৰ বজাৰত মজুৰি কেনেদৰে নিৰ্ধাৰিত হয়, ব্যাখ্যা কৰা।

★★★